### কামৰূপত হাতী-মানুহৰ সংঘাত প্ৰতিৰোধৰ পৰ্যালোচনা

# পলাশবাৰীৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ অংশগ্ৰহণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২ জুন ঃ** কামৰূপ জিলাৰ পলাশবাৰী আৰু বকো-ছয়গাঁও সহ-জিলাৰ অন্তৰ্গত অঞ্চলসমূহত বৃদ্ধি পোৱা হাতী-মানুহৰ সংঘাতৰ ঘটনাসমূহৰ পৰিপ্ৰেক্ষিতত সোমবাৰে আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ বিশেষ মুখ্য সচিব এম কে যাদৱৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত পলাশবাৰীৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য উপস্থিত থাকে। লগতে নিম্ন অসম সামাজিক বনানীকৰণ চক্ৰৰ ভাৰপ্ৰাপ্ত বন সংৰক্ষক ছানীদেও ইন্দ্ৰদেও চৌধুৰী, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জিত কুমাৰ দেৱ, পলাশবাৰী সম-জিলা আয়ুক্ত ভাস্কৰ জ্যোতি কলিতা, বকো-ছয়গাঁও সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভাৰদ্বাজ,অতিৰিক্ত আৰক্ষী অধীক্ষক পুনম পেগু, চক্ৰ বিষয়াসকল, বন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকে। বৈঠকত হাতী- মানুহৰ সংঘাত প্ৰৱণ অঞ্চলসমূহৰ বৰ্তমান পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে হাতীৰ চলাচলৰ ফলত সংঘটিত শস্য নষ্ট, সম্পত্তিৰ ক্ষতি আৰু মানৱ জীৱনৰ ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। আলোচনাত আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা অধিক শক্তিশালী কৰা, বন বিভাগ, জিলা প্ৰশাসন আৰু স্থানীয় জনসাধাৰণৰ মাজত সমন্বয় বৃদ্ধি কৰা, জনসচেতনতা বৃদ্ধিৰ লগতে হাতীৰ গতিবিধি নিৰীক্ষণৰ বাবে প্ৰযুক্তি নিৰ্ভৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰিও হাতী-মানুহৰ সংঘাতত ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে ক্ষতিপূৰণ প্ৰদান আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থা অধিক ফলপ্ৰসূ কৰাৰ বিষয়েও আলোচনা কৰা হয়।

বৈঠকত আদৰণি ভাষণ ৰাখি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে মানুহ-হাতী সংঘাতৰ ফলত হোৱা জীৱন আৰু সম্পত্তিৰ ক্ষতি সম্ভৱ পৰিমাণে হ্ৰাস কৰাটোৱেই জিলা প্ৰশাসনৰ মুখ্য লক্ষ্য। তেওঁ লগতে জনায় যে সংঘাতপ্ৰৱণ অঞ্চলসমূহত হাতীৰ অনুপ্ৰৱেশ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ছ'লাৰ ফেন্সিং স্থাপন আৰু পৰ্যবেক্ষণ টাৱাৰ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। সভাত বিশেষ মুখ্য সচিব এম কে যাদৱৰ এই সমস্যা সমাধানৰ বাবে সকলো বিভাগ, স্থানীয় জনসাধাৰণ আৰু অন্যান্য অংশীদাৰৰ সমন্বিত আৰু সুদীৰ্ঘম্যাদী পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে স্থানীয় বাইজৰ সুৰক্ষা নিশ্চিত কৰাৰ সমান্তৰালভাৱে বন্যপ্ৰাণী সংৰক্ষণ আৰু প্ৰাকৃতিক বাসস্থান ৰক্ষাও সমানে গুৰুত্বপূৰ্ণ। বৈঠকত অংশগ্ৰহণকাৰীসকলে মানুহ আৰু হাতীৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান নিশ্চিত কৰাৰ লক্ষ্যৰে অধিক জনসম্পৃক্ততা, বৈজ্ঞানিক ব্যৱস্থাপনা আৰু আন্তঃবিভাগীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত মত প্ৰকাশ কৰে।

# ঢেকীয়াজুলি সমজিলা শাখাৰ 'আবৃত্তিৰ মহাৰণ'ৰ বিজয়ীসকললৈ জিলা প্ৰতিযোগিতাৰ দুৱাৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঠেলামৰা, ২ জুন ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ নৱগঠিত ঢেকীয়াজুলি সম-জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত হৈ যোৱা 'আবৃত্তিৰ মহাৰণ'ৰ বিজয়ীসকলে জিলা প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। তেজপুৰত অনুষ্ঠিতব্য জিলা ভিত্তিক আবৃত্তি প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিছে বিজয়ীসকলে। এক প্ৰেছ বিজ্ঞপ্তি যোগে ২জুনত পুৱা ৯ বাজি ২১ মিনিটত ঢেকিয়াজুলি সম-জিলা শাখাৰ সভাপতি সুজিৎ কটকীয়ে ঢেকিয়াজুলিৰ সংবাদ মাধ্যমক জনাইছে। উল্লেখ্য যে, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ উপলক্ষে যোৱা ১ জুনত ঢেকীয়াজুলি নগৰৰ শ্বহীদ উদ্যান ভৱনত আঞ্চলিক ভিত্তিত 'আবৃত্তিৰ মহাৰণ' শীৰ্ষক স্বনিৰ্বাচিত একক কবিতা আবৃত্তি প্ৰতিযোগিতাখনি সফলতাৰে অনুষ্ঠিত হয়। গজালি, কিশলয়, জোনাকী, ৰামধেনু, মুকলি আৰু প্ৰবীণ শাখাকে ধৰি ছয়টা শাখাত আয়োজিত প্ৰতিযোগিতাখনিত শিশু-কিশোৰ-চেমনীয়া-যুৱক-যুৱতী, মহিলা আৰু বয়োজ্যেষ্ঠ নাগৰিককে ধৰি প্ৰায় তিনিকুৰি প্ৰতিযোগীয়ে যোগদান কৰি উজ্জীৱিত পৰিৱেশৰ সৃষ্টি কৰে। স্থানীয় বিশিষ্ট আবৃত্তিকাৰ-সমাজকৰ্মী অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই উৎসাহজনক বক্তব্যৰ লগতে এটি কবিতা আবৃত্তি কৰি উদ্বোধন কৰা প্ৰতিযোগিতা খনৰ আৰম্ভণিতে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ঢেকীয়াজুলি সম-জিলা শাখাৰ সভাপতি সুজিৎ কটকীয়ে আদৰণি ভাষণ আগবঢ়োৱাৰ উপৰি ড° অমৰ জ্যোতি চৌধুৰীৰ 'মৃত্যু জিনাৰ গান' নামৰ কালজয়ী কবিতাটিৰ আবৃত্তিয়ো কৰে। অনুষ্ঠানৰ প্ৰাকমুহূৰ্তত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জনকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাৰ্ঘ নিবেদি অগ্ৰজ অৱসৰী কৃতী শিক্ষক-সাহিত্যকৰ্মী ধ্ৰুৱ ভূষণ মহন্ত আৰু সমাজকৰ্মী ধ্ৰুৱ বৰাই শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীটি মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত অগ্ৰজ কবি ধ্ৰুৱ ভূষণ মহন্তই এটি স্বৰচিত কবিতা পাঠ কৰি সংক্ষিপ্ত বক্তব্য আগবঢ়ায়। শোণিতপুৰ জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সাধাৰণ সম্পাদিকা অৰ্চনা দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সংগঠনটিৰ লক্ষ্য-উদ্দেশ্য-নীতি-নিৰ্দেশনা-কাৰ্যপন্থাৰ বিষয়ে প্ৰাসংগিক বক্তব্য দাঙি ধৰা অনুষ্ঠানটি শাখাৰ সাধাৰণ সম্পাদিকা ৰীতা দাস বৰদলৈ আৰু আবৃত্তি বিশেষজ্ঞ কল্পনা দাসে আঁত ধৰাৰ লগতে দুয়ো স্বনিৰ্বাচিত কবিতাৰ আবৃত্তিয়ো কৰে। অৱসৰী শিক্ষাগুৰু-সাহিত্যানুৰাগী দিপ্তী কলিতা, ৰুণজুন নাথ আৰু ধ্ৰুৱ ভূষণ মহন্তই প্ৰতিযোগিতাখনিত বিচাৰকৰ গুৰু দায়িত্ব পালন কৰি সহযোগিতা আগবঢ়ায়। প্ৰতিযোগিতাখনিৰ ফলাফল অনুসৰি 'গজালি' শাখাত উদগৃতা সৃষ্টিয়ে প্ৰথম, অভিজ্ঞান শইকীয়াই দ্বিতীয় আৰু মৃত্তিক মহন্তই তৃতীয় স্থান 'কিশলয়' শাখাত প্ৰথম- অনন্যা কাশ্যপ, দ্বিতীয়- জয়শ্ৰী কলিতা আৰু তৃতীয়- কুঁৱলী বৰুৱা, 'জোনাকী শাখা'ত অন্তৰীক্ষা ভৰদ্বাজ প্ৰথম, প্ৰিয়ম কাশ্যপ দ্বিতীয় আৰু অঞ্জন সৰকাৰ তৃতীয়, 'মুকলি' শাখাত চক্ৰধৰ শইকীয়া প্ৰথম শ্ৰেষ্ঠ, পলী হাজৰিকা দ্বিতীয় শ্ৰেষ্ঠ আৰু মামনী বৈশ্য মণ্ডল তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগী, 'প্ৰবীণ' শাখাত ইনুমা খাউণ্ড দত্তই প্ৰথম, অঞ্জনা শইকীয়াই দ্বিতীয় আৰু কৰুণা দত্ত বৰাই তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত বিচাৰকৰ মন্তব্যৰে শ্ৰেষ্ঠ বিবেচিত হোৱা প্ৰতিযোগীসকলক গ্ৰন্থ আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰি পুৰস্কৃত কৰা হয়। ঢেকীয়াজুলি সম-জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সভাপতি-সাধাৰণ সম্পাদিকাৰ নেতৃত্বত আয়োজিত অনুষ্ঠানটিত শাখাৰ উপ-সভাপতি নন্দলাল দাস, উপদেষ্টা গৌতম ৰাজবংশী, সহকাৰী সম্পাদক নাজমল হুছেইন ভূঁএগু, প্ৰচাৰ সম্পাদক সঞ্জয় বৰুৱা, কোষাধ্যক্ষ ৰিজু দেৱী, সদস্যা ডলী দাস, পলী হাজৰিকা, ৰঞ্জনা চৌধুৰী আদি কৰ্মকৰ্তাসকলে সহযোগিতা আগবঢ়ায়।



## মাজবাটত ভাংসহ এজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২ জুন ঃ** শোণিতপুৰ ওদালগুৰি সীমান্তবৰ্তী মাজবাটত গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত মাজবাট আৰক্ষী থানাৰ এটা দলে ১জুনত ডিমাছাং অঞ্চলত এ এছ ০১জি এন ১৮১৫ নম্বৰৰ এখন গাড়ী সহঃ এজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ উপস্থিতিতেই গাড়ীখনৰ চালক ঘটনাস্থলীৰ পৰা পলায়ন কৰে। অৱশ্যে গাড়ীখনত থকা আন এজন ব্যক্তি, ডিমাছাঙৰ গাঁৱৰ বাসিন্দা ডেৰহাছাদ বড়োক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গাড়ীখন তালাচী চলোৱা হয়। তালাচীৰ সময়ত গাড়ীখনৰ পৰা সন্দেহযুক্ত ভাং ভৰ্তি ৩৫টা পেকেট উদ্ধাৰ কৰা হয়। উদ্ধাৰ হোৱা নিষিদ্ধ সামগ্ৰীসমূহ ওজন কৰি মুঠ ১৮১.৯৪ কিলোগ্ৰাম ভাং পোৱা যায়। ইতিমধ্যে মাজবাট আৰক্ষীয়ে ঘটনাটোৰ সন্দৰ্ভত আইনী বিধি অনুসৰি অধিক তদন্ত আৰু ব্যৱস্থা গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

## টুটুমণি কলিতালৈ অভিনন্দন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত 'প্ৰজ্ঞান প্ৰতিভা সন্ধানী'- ২০২৫-২৬ বৰ্ষৰ পৰীক্ষাত গুৱাহাটী শিক্ষাখণ্ডৰ কাহিলিপাৰা লক্ষ্মী প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী টুটুমণি কলিতাই ৰাজ্যিক ভিত্তিত চতুৰ্থ স্থান অধিকাৰ কৰি বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছে। লগতে উক্ত বিদ্যালয়ৰ ছাত্ৰী প্ৰীতি দেৱনাথে গুৱাহাটী মহকুমাৰ ভিত্তিত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। দুয়োগৰাকী ছাত্ৰীকে বিভিন্ন দল-সংগঠনে অভিনন্দন জ্ঞাপন কৰিছে।

### ধুবুৰীত 'সম দেৱানী সংহিতা'ক লৈ বিজেপিৰ সংবাদ মেল

# 'ইউ চি চি কোনো অসাংবিধানিক বিষয় নহয়'



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২ জুন ঃ** আজি ভাৰতীয় জনতা পাৰ্টি ধুবুৰী জিলাৰ জিলা কাৰ্যালয়ত 'সম দেৱানী সংহিতা' সম্পৰ্কে এক গুৰুত্বপূৰ্ণ সংবাদ মেলৰ আয়োজন কৰা হয়। এই সংবাদ মেলত উপস্থিত থাকে বিজেপি ধুবুৰী জিলা সভাপতি ৰঞ্জিত কুমাৰ ৰায়, বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক মিডিয়া পেনেলিষ্ট বনেন্দ্ৰ কুমাৰ মুছাহাৰী, বিজেপি জিলা সংবাদ বিভাগৰ আহ্বায়ক শ্ৰীবাস দাস, জিলা উপ-সভাপতি দেৱপ্ৰসাদ সিংহ, জিলা সম্পাদক উত্তম প্ৰসাদ। সংবাদ মেলৰ জৰিয়তে জিলা সভাপতিয়ে ধুবুৰী বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ বিধায়িকা বেবী বেগমে অসম বিধানসভাত ইউ চি চি বিলক লৈ কৰা অবাঞ্ছিত আৰু লজ্জাজনক মন্তব্যৰ ক্ষুৰধাৰ সমালোচনা কৰি কয় যে, বেবী বেগমে পুৰুষৰ দ্বিতীয় বিবাহৰ সমৰ্থন কৰি সমগ্ৰ নাৰী সমাজক নিজৰ অধিকাৰৰ পৰা কেৱল বঞ্চিত কৰাৰৰ প্ৰৱণতাই নহয়, আনকি নিজে নাৰী হৈ সমগ্ৰ নাৰী জাতিকেই অপমানিত কৰাৰ প্ৰয়াস কৰিছে। আনহতে বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক মুখপাত্ৰ বনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে ইউ চি চি বিল সম্পৰ্কে বিস্তাৰিত আলোচনা কৰি জনায় যে, ইউ চি চি বিল ভাৰতীয় জনতা পাৰ্টিৰ এটা ডাঙৰ কমিটমেণ্ট, ইয়াক প্ৰতিখন প্ৰদেশত বলৱৎ কৰাটো বিজেপিৰ লক্ষ্য আৰু উদ্দেশ্য। এই ইউ চি চি বিল কোনো অসাংবিধানি বিষয় নহয়, ইয়াক পূৰ্বৰ চৰকাৰে তুষ্টিকৰণ ৰাজনীতিৰ কাৰণে বলৱৎ কৰাৰ সৎ ইচ্ছা কেতিয়াও দেখুৱা নাই। তেনেক্ষেত্ৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা চৰকাৰৰ সময়ত জনতাক প্ৰতিশ্ৰুতি দিছিল যে, ২০২৬ত বিজেপি মিত্ৰজোঁট চৰকাৰ অসমত হ'লে, ২০২৬ চনৰ প্ৰথম বিধানসভা অধিৱেশনতেই ইউ চি চি বিল সদনত লৈ আহি , তাক বলৱৎ কৰিব। সেই মতে মুখ্যমন্ত্ৰীৱে জনতাক দিয়া সেই প্ৰতিশ্ৰুতি ২০২৬ চনত বিজেপি মিত্ৰজোঁট নৱগঠিত চৰকাৰ গঠন কৰিয়েই, প্ৰথম বিধানসভা অধিৱেশনতেই আখৰে আখৰে পালন কৰি দেখুৱালে, ইউ চি চি বিল অসমত বলৱৎ হ'ল। বনেন্দ্ৰ কুমাৰ মুছহাৰীয়ে জনায় যে, মুঠৰ ওপৰত সম দেৱানী সংহিতাই অসমৰ প্ৰতিজন নাৰীক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত আৰু বাল্যবিবাহ লগতে নাৰীৰ সমধিকাৰকলৈ ভৱিষ্যতে এক গুৰুত্বপূৰ্ণ ভূমিক ল'ব। ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁট চৰকাৰ যে সদায়ে নাৰী সমাজৰ উত্থানৰ হকে কাম কৰে আৰু নাৰী সমাজক উচ্চ শিৰে আগুৱাই লৈ যোৱাত আগ্ৰহ প্ৰকাশ কৰে। নাৰী সমাজক আত্মনিৰ্ভৰ কৰিবলৈ সদায় বদ্ধ পৰিকৰ, সেয়া ইউ চি চি বিল অসমত বলবৎ কৰাৰ জৰিয়তে পুনৰাই প্ৰমাণ কৰি দেখুৱালে।

### অসম আবৃত্তি, সংস্কৃতি পৰিষদৰ সুধাকণ্ঠৰ জন্ম শতবৰ্ষ অনুষ্ঠান

# দিশপুৰ শাখাৰ আবৃত্তি প্ৰতিযোগিতাৰ মহাৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২ জুন ঃ** ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ অন্তৰ্গত কামৰূপ মহানগৰ জিলাৰ দিশপুৰ শাখা সমিতিৰ উদ্যোগত মথুৰানগৰস্থিত 'নান্দনিক'ত 'আবৃত্তি প্ৰতিযোগিতাৰ মহাৰণ' অনুষ্ঠিত কৰা হয়। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মনে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা এই প্ৰতিযোগিতাত গজালি, কিশলয়, মুকলি আৰু প্ৰবীণ শাখাত স্থানীয় শিশু, কিশোৰৰ লগতে কেইখনমান বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু নবীন-প্ৰবীণ ভালেকেইজন প্ৰতিযোগীয়ে যোগদান কৰে। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত বিচাৰকৰ আসন অলংকৃত কৰে ক্ৰমে প্ৰফুল্ল বৰ্মন, নিবেদিতা দাস লাহন আৰু জোনালী ভট্টাচাৰ্যই। প্ৰতিযোগিতাত বিজয়ীসকল হ'ল ক্ৰমান্বয়ে গজালি আৰু কিশলয় শাখাত সূৰ্যবৃত, ধৃতিস্মিতা, মানৱী আৰু অন্বয়জ্যোতি, জিনা আৰু কৃত্তিকা; আনহাতে মুকলি আৰু প্ৰবীণ শাখাত ক্ৰমে আকাশ নীলিম ৰাভা, কল্পনা শইকীয়া, নন্দিতা ৰয় আৰু ভৱেশ চন্দ্ৰ দত্ত, সান্ত্বনা দাস বৰ্মন, ৰঞ্জনা শৰ্মা। শাখাৰ সম্পাদিকা গীতা দেৱীয়ে আঁত ধৰা অষ্ঠানটোত কে'বাগৰাকী অশীতিপৰ ব্যক্তিয়ে যোগদান কৰাৰ উপৰিও মহানগৰ জিলাৰ সভাপতি মৃগেন ভাগৱতী, সম্পাদক অখিল দাস আৰু দিশপুৰ শাখাৰ সভাপতি নীলিমা শৰ্মা গোস্বামী উপস্থিত থাকে।



# বৰক্ষেত্ৰীৰ নৱ-নিৰ্বাচিত বিধায়ক নাৰায়ণ ডেকাক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক নাৰায়ণ ডেকাক দেওবাৰে বৰক্ষেত্ৰী প্ৰেছ ক্লাবৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে সম্বৰ্ধনা জনোৱা হয়। মুকালমুৱাস্থিত লোক নিৰ্মাণ (গৃহ) বিভাগৰ পৰিদৰ্শন ভৱনত অনুষ্ঠিত এই সম্বৰ্ধনা সভাত অঞ্চলটোৰ সাংবাদিকসকলৰ লগতে বৰক্ষেত্ৰী প্ৰেছ ক্লাবৰ সদস্যসকল, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী উপস্থিত থাকে। সভাৰ উদ্দেশ্য বাখ্যা কৰি সাংবাদিকৰ বিভিন্ন সমস্যা, ঘাট-প্ৰতিঘাটক নেওচি সংবাদ সংগ্ৰহ কৰিবলগীয়া হোৱা বুলি উল্লেখ কৰে বৰক্ষেত্ৰী প্ৰেছ ক্লাবৰ উপদেষ্টা তথা জ্যেষ্ঠ সাংবাদিক ৰাজেন ডেকাই। বৰক্ষেত্ৰী প্ৰেছ ক্লাবৰ সভাপতি প্ৰদীপ কুমাৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত নৱনিৰ্বাচিত বিধায়ক নাৰায়ণ ডেকাক ফুলাম গামোচা, ফুলৰ থোপা, কলম, শুভেচ্ছা বাৰ্তাৰে উষ্ম আদৰণি জনোৱা হয়। বিশেষ সভাখনত বৰক্ষেত্ৰী প্ৰেছ ক্লাবৰ সভাপতি প্ৰদীপ কুমাৰ কলিতাই বিধায়ক নাৰায়ণ ডেকাৰ ৰাজনৈতিক জীৱন, জনসেৱামূলক মনোভাৱ আৰু বৰক্ষেত্ৰীৰ উন্নয়নৰ ক্ষেত্ৰত তেওঁৰ সম্ভাব্য ভূমিকা সম্পৰ্কে মত প্ৰদান কৰে। সভাত উপস্থিত সাংবাদিক আৰু প্ৰেছ ক্লাবৰ সদস্যসকলে নৱনিৰ্বাচিত বিধায়কজনক অভিনন্দন জ্ঞাপন কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন সমস্যা, উন্নয়নমূলক প্ৰয়োজনীয়তা আৰু জনসাধাৰণৰ আশা-আকাংক্ষাৰ বিষয়েও আলোচনা কৰে। তেওঁলোকে সংবাদ মাধ্যম আৰু জনপ্ৰতিনিধিৰ মাজত সুস্থ সম্পৰ্ক বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি বিধায়ক নাৰায়ণ ডেকাই বৰক্ষেত্ৰী প্ৰেছ ক্লাবৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে জনসাধাৰণৰ আশীৰ্বাদ আৰু সমৰ্থনৰ ফলতেই তেওঁ এই দায়িত্ব লাভ কৰিছে আৰু আগন্তুক দিনত বৰক্ষেত্ৰীৰ সৰ্বাংগীণ উন্নয়নৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰি যাব। লগতে তেওঁ সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি অভিহিত কৰি উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত সাংবাদিকসকলৰ সহযোগিতা আৰু গঠনমূলক পৰামৰ্শ কামনা কৰে। সভাখনত উপস্থিত সদস্যসকলে নৱনিৰ্বাচিত বিধায়কজনৰ সফল কাৰ্যকালৰ বাবে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বৰক্ষেত্ৰীৰ শিক্ষা, স্বাস্থ্য, যোগাযোগ ব্যৱস্থা আৰু অন্যান্য উন্নয়নমূলক ক্ষেত্ৰত অধিক অগ্ৰগতি হ'ব বুলি আশা প্ৰকাশ কৰে। সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে নৱনিৰ্বাচিত বিধায়ক আৰু স্থানীয় সংবাদকৰ্মীসকলৰ মাজত এক ইতিবাচক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত নতুন দিশ উন্মোচিত হয়।

# নলবাৰীত বাটৰ পুথিঘৰ মুকলি




**দৈনন্দিন বাৰ্তাৰ সেৱা, বেলশৰ, ২ জুন ঃ** নলবাৰী পৌৰসভাৰ উদ্যোগত অনুষ্ঠিত কৰা জীৱন শিল্পী, আদ্য শৰ্মা উদ্যানত ৰাইজৰ সুবিধাৰ্থে এটি নতুন 'বাটৰ পুথিঘৰ' ১ জুনত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। নলবাৰীৰ সমাজ জীৱনৰ সৈতে জড়িত বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বাটৰ পুথিঘৰটি আনুষ্ঠানিকভাৱে মুকলি কৰে নলবাৰী পৌৰসভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰে। তেওঁ কয়, 'উপস্থিতসকলক পৌৰসভাৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে আমি বিশেষভাৱে ধন্যবাদ জনাব বিচাৰিছোঁ আমাৰ বিধায়কক। তেওঁৰ সবল নেতৃত্ব আৰু সঠিক মাৰ্গদৰ্শনৰ বাবেই আজি নলবাৰী পৌৰসভাই এক নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে। আশা কৰোঁ এই পুথিভঁৰালে আমাৰ অঞ্চলটোৰ জ্ঞানৰ চৰ্চা আৰু পঢ়ুৱৈ সমাজক আৰু এখোজ আগুৱাই লৈ যাব।' এই পদক্ষেপ 'সবল নলবাৰী, পঢ়ুৱৈ নলবাৰী'ৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা যোগাব বুলিও আশাবাদী জয়শ্ৰী তালুকদাৰ।

# অভয়াপুৰীত লেখিকা মনোৰমা দেৱীৰ 'স্মৃতিৰ মিঠা শিহৰণ' শীৰ্ষক ভ্ৰমণ কাহিনী উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২ জুন ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত চিলাৰায় ভৱনত দেওবাৰে সাহিত্য চ'ৰাৰ বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকখন ইটালিয়ান গীতিকবি পেট্ৰাৰ্কৰ আৰ্হিত অসমীয়াত প্ৰথম ছ'নেট লিখা বিশিষ্ট কবি-সাহিত্যিক হেমচন্দ্ৰ গোস্বামীৰ স্মৃতিচাৰণেৰে আৰম্ভ হয়। বৈঠকত অৱসৰী শিক্ষয়িত্ৰী তথা লেখিকা মনোৰমা দেৱীৰ 'স্মৃতিৰ মিঠা শিহৰণ' শীৰ্ষক এখনি ভ্ৰমণ কাহিনী উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে সাহিত্য চ'ৰাৰ সভাপতি সীমান্ত কুমাৰ কলিতাই। উন্মোচনী বক্তব্যত ভ্ৰমণকালত হোৱা মিশ্ৰিত অভিজ্ঞতাৰ কথা উল্লেখ কৰি সভাপতি কলিতাই চ'ৰাৰ অন্যতম সদস্যা তথা সুলেখিকা মনোৰমা দেৱীৰ এনে প্ৰচেষ্টাই সকলোকে অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে লেখিকা মনোৰমা দেৱীয়ে বিদেশ ভ্ৰমণৰ সময়ত বিদেশীসকলে অসমীয়া সাজ-পোছাকৰ প্ৰতি দেখুৱা বিশেষ আকৰ্ষণৰ কথা দোহাৰে।



# বঙাইগাঁও বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২ জুন ঃ** বঙাইগাঁও বিশ্ববিদ্যালয়ৰ বড়ো বিভাগে কলকাতাস্থ সাহিত্য অকাডেমিৰ পূবাঞ্চলীয় কাৰ্যালয় আৰু বড়ো বিভাগীয় শিক্ষক সন্থাৰ সহযোগত শনিবাৰে বিশ্ববিদ্যালয়ৰ সভাকক্ষত 'বড়ো ভাষাৰ সাহিত্য আলোচনীসমূহ' আৰু 'লেখকৰ সৈতে মত-বিনিময়' শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আয়োজন কৰে। অনুষ্ঠানত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° তৰণী ডেকা, কলকাতাস্থিত সাহিত্য অকাডেমিৰ পূবাঞ্চলীয় কাৰ্যালয়ৰ আঞ্চলিক সচিব ড° দেৱেন্দ্ৰ কুমাৰ দেৱেশ, সাহিত্য অকাডেমিৰ বড়ো উপদেষ্টা পৰিষদৰ সদস্য ড° বিজিতগিৰি বসুমতাৰী, বঙাইগাঁও বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° দিনেশ দাস, বিশিষ্ট বড়ো সাহিত্যিক অধ্যাপিকা ইন্দিৰা বড়ো, বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ গৱেষকসকল, বিশ্ববিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল, বড়ো বিভাগীয় শিক্ষক সন্থাৰ সদস্যসকল আৰু বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° তৰণী ডেকাই। বিশিষ্ট অতিথিসকলৰ দ্বাৰা বন্তি প্ৰজ্বলনৰ জৰিয়তে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত সাহিত্য অকাডেমিৰ আঞ্চলিক সচিব ড°দেৱেন্দ্ৰ কুমাৰ দেৱেশে আদৰণি ভাষণ প্ৰদান কৰি সাহিত্য অকাডেমিৰ বিভিন্ন কাৰ্যকলাপৰ বিষয়ে আলোকপাত কৰে। আনহাতে প্ৰাৰম্ভিক বক্তব্য আগবঢ়ায় ড° বিজিতগিৰি বসুমতাৰীয়ে। অতিথিসকলক পৰিচয় কৰাই দিয়ে বড়ো বিভাগীয় শিক্ষক সন্থাৰ সভাপতি তথা বঙাইগাঁও বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী ড° ৰূপনাথ ওৱাৰীয়ে। অতিথিসকলক বড়ো বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে আৰোনাইৰে সম্বৰ্ধনা জনায়। ড° ওৱাৰীয়ে সভাত মূল ভাষণো প্ৰদান কৰে। ড° ওৱাৰীয়ে নিজৰ মূল ভাষণত কয় যে সাহিত্যালোচনী আৰু পত্ৰিকাসমূহৰ অৱদান অবিহনে বড়ো ভাষা আৰু সাহিত্যৰ বিকাশ আৰু উন্নয়ন সম্ভৱ নহ'লহেঁতেন। সাহিত্যালোচনীৰ প্ৰকাশে আধুনিক বড়ো সাহিত্যক এক নিৰ্দিষ্ট ৰূপ আৰু গতি প্ৰদান কৰিছিল। তেওঁ কয় যে সাহিত্যালোচনীসমূহে এনে এক মঞ্চ প্ৰদান কৰিছিল য'ত কবি, প্ৰবন্ধকাৰ, নাট্যকাৰ, সমালোচক আৰু যুৱ চিন্তাবিদসকলে নিজক মুক্ত আৰু সৃষ্টিশীলভাৱে প্ৰকাশ কৰিব পাৰিছিল। তদুপৰি, তেওঁ কয় যে সাহিত্যালোচনীসমূহে সামাজিক বাস্তৱতা প্ৰতিফলিত কৰে আৰু শিক্ষা, পৰিচয়, মহিলা সবলীকৰণ, পৰিৱেশ সুৰক্ষা তথা গণতান্ত্ৰিক মূল্যবোধৰ বিষয়ে সজাগতা সৃষ্টি কৰে। ড° ওৱাৰীয়ে কয় যে এই আলোচনাচক্ৰৰ উদ্দেশ্য হৈছে বড়ো ভাষা আৰু সাহিত্যৰ বিকাশ, উন্নয়নৰ লগতে সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সাহিত্যালোচনীসমূহৰ অৱদানক সমালোচনাত্মকভাৱে পৰ্যালোচনা কৰা। ইপিনে উদ্বোধনী অনুষ্ঠানৰ সভাপতি তথা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° তৰণী ডেকাই তেওঁৰ ভাষণত কয় যে এই আলোচনাচক্ৰ অত্যন্ত অৰ্থপূৰ্ণ আৰু সময়োপযোগী। তেওঁ বিভাগটোৰ সকলো শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকো বড়ো ভাষা-সাহিত্যৰ প্ৰসাৰ, উন্নয়নৰ লগতে সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। লগতে সকলো পণ্ডিত, লেখক, শিক্ষক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভাষা-সাহিত্যৰ বিকাশ আৰু উন্নয়নৰ বাবে নিজৰ মাতৃভাষাত লিখিবলৈ আহ্বান জনায়। ইয়াৰ পিছতে কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° আদাৰাম বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত হয় আলোচনা চক্ৰৰ প্ৰথম সত্ৰ। প্ৰথম সত্ৰত বডোলেণ্ড বিশ্ববিদ্যালয়ৰ ড° লাইশ্ৰী মহিলাৰী, কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ গণেশ বড়ো, টিপকাইৰ জিকেএইচ মহাবিদ্যালয়ৰ নাথান বসুমতাৰী আৰু চেৰফাংগুৰিৰ জনতা মহাবিদ্যালয়ৰ ড° মুসুকা বালা ব্ৰহ্মই নিজৰ গৱেষণা-পত্ৰ উপস্থাপন কৰে। আনহাতে কটন বিশ্ববিদ্যালয়ৰ কলা অনুষদৰ ডীন অধ্যাপক ফুকন চন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত দ্বিতীয় সত্ৰত বেংতল মহাবিদ্যালয়ৰ ড° ৰাহেল মোছাহাৰী আৰু দুধনৈ মহাবিদ্যালয়ৰ মামনি দৈমাৰীয়ে নিজৰ গৱেষণা-পত্ৰ উপস্থাপন কৰে। বিয়লি অনুষ্ঠিত হয় 'লেখকৰ সৈতে মত- বিনিময়' অনুষ্ঠান। এই অনুষ্ঠানত বিশিষ্ট বড়ো সাহিত্যিক অধ্যাপিকা ইন্দিৰা বড়োৱে নিজৰ জীৱন, সাহিত্যকৃতি আৰু বিভিন্ন অভিজ্ঞতাৰ বিষয়ে মুক্তভাৱে আলোচনা কৰে। তেওঁ লগতে উপস্থিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু গৱেষকসকলে কৰা বিভিন্ন প্ৰশ্নৰ উত্তৰো দিয়ে। অনুষ্ঠানৰ অন্তত বড়ো বিভাগ শিক্ষক সন্থাৰ উপ-সভানেত্ৰী ড° মল্লিকা বসুমতাৰীয়ে ধন্যবাদ জ্ঞাপন কৰে আৰু কাৰ্যসূচীৰ সামৰণী পৰে।


**বैंक ऑफ़ बड़ौदा Bank of Baroda**

**এ. টি. ৰোড শাখা**
**বিশাল মেগামাৰ্টৰ ওচৰত, এ.টি. ৰোড, গুৱাহাটী, কামৰূপ (ম), অসম- ৭৮১০০১**

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনখন পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **"যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনখন বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনখন/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

| ক্ৰ. নং | শাখাৰ নাম আৰু ঠিকনা | ঋণী/সকল / জামিনদাৰৰ নাম আৰু ঠিকনা | মুঠ দেয় | বাহনৰ নিৰ্মাণ আৰু মডেল আৰ টি অ, পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট | পৰিদৰ্শনৰ তাৰিখ আৰু সময় | যোগাযোগৰ ব্যক্তি |
|---|---|---|---|---|---|---|---|---|---|
| ১. | এ. টি. ৰোড শাখা বিশাল মেগামাৰ্টৰ ওচৰত, এ.টি. ৰোড, গুৱাহাটী, কামৰূপ (ম),অসম-৭৮১০০১ | উৎপলাক্ষী এগ্ৰোপ্ৰডাক্টছ প্ৰাইভেট লিমিটেড ২য় মহলা, ৰয়েল চাৰ্কল, আৰ জি বৰুৱা ৰোড, জাপৰিগোগ, গুৱাহাটী, কামৰূপ (ম), অসম-৭৮১০০৫ | ২৪,২৫,১৬৪.০০ টকা ২৪.১০.২০২৪ তাৰিখলৈ আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | এফচিএ ইণ্ডিয়া অটোম'বাইল্ছ প্ৰাইভেট লিমিটেড জীপ মেৰিডিয়ান লিমিটেড (অ) এটি ৪X৪ বি এছ ৬ আৰ টি অ' : গুৱাহাটী পঞ্জীয়ণ নং: এএছ০১এফজি১১৫৫ | ০৮.০৭.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১)১৪,৪০,০০০.০০ টকা ২)১,৪৪,০০০.০০ টকা ৩)৫,০০০.০০ টকা | Baanknet ৱেবছাইট অনুসৰি | ০৬.০৭.২০২৬ আৰু ০৭.০৭.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰীমতী ৰঞ্জিতা পৰিদা, মোবাইল নং ৯৯০১৮১৮৬০৯ |

**ওপৰত উল্লেখিত ক্ৰমিক নং-ৰ বাবে Baanknet সম্পত্তি আইডি তলত দিয়া ধৰণেঃ-**
**ক্ৰ. নং ১**-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBOATROAD012**
বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে ওপৰত উল্লেখ কৰা ধৰণে **যোগাযোগৰ ব্যক্তিক** যোগাযোগ কৰিব পাৰে।
**তাৰিখ ঃ ০৩-০৬-২০২৬, স্থান ঃ গুৱাহাটী**
**কৰ্তৃত্বশীল বিষয়া, বেংক অফ বৰোদা**